# **ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ মতে বিদ্যালয়ৰ প্ৰশাসন ব্যৱস্থা আৰু বিদ্যালয়ৰ নেতৃত্বৰ কাৰ্যক্ষমতা কেনেকৈ বৃদ্ধি কৰিব** ?(Effective School Leadership and School Governance as per National Education Policy2020)

ড° দেৱ কুমাৰ দত্ত
অৱসৰী যুটীয়া সঞ্চালক,
ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ

**প্ৰস্তাৱনা** (Preamble):

বিদ্যালয় এখনৰ সুশাসন ব্যৱস্থা মানেই বিদ্যালয়খনৰ মূৰব্বী বা প্ৰধান শিক্ষকৰ বিদ্যালয় পৰিচালনা শক্তি। প্ৰধান শিক্ষকৰ দায়বদ্ধতা, দক্ষতাৰে বা সুকলমে সকলোজনৰ সহযোগিতাৰ মাজেৰে নিজা স্থিতি আৰু কৌশলেৰে উন্নতিৰ পথত আগবাঢ়ি যোৱা কাৰ্যক বিদ্যালয়খনৰ গঠন প্ৰণালী আৰু পৰিচালনা পদ্ধতি বুলিব পাৰি । অন্য কথাত শিক্ষকসকলৰ নিজ নিজ কৰ্ত্তব্যবোধ, স্বচ্ছতা, দায়িত্ববোধৰ পৰিচয়, নীতি নিয়মবোৰ পালন কৰা, সকলো ছাত্ৰ-ছাত্ৰীক সুবিধা দিয়া, সম্যতা প্ৰদান কৰা আৰু চাৰিওফালৰ অংশীদাৰৰ সহযোগৰ ফলত শক্তিশালী ৰূপত পৰিচালিত এক ব্যৱস্থা। বিদ্যালয়খনৰ পৰিচালিত শক্তি বা ব্যৱস্থাপনাৰ লগতে নেতৃত্ববোধলৈ প্ৰধানজনৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ। বিদ্যালয়খনৰ পৰিচালিত মূল ব্যক্তিৰ দায়িত্ববোধ, কৰ্তব্যপৰায়নতা, নিয়মানুবৰ্তিতা, স্বচ্ছতা, যোগাযোগ ব্যৱস্থাৰে শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ মধুৰ সম্পৰ্ক স্থাপন আৰু এক সহযোগিতামূলক ব্যৱস্থা যাক চমুকৈ চালিকাশক্তিৰূপে বিদ্যালয়ত প্ৰকাশ পায়। ২০০৯ চনৰ গ্লৱেল মনিটৰিংৰ ব্যাখ্যাত পৰিচালনাক এক শক্তিৰ সম্পৰ্ক, নিয়ম বা অনিয়মত কৰা নীতি-নিৰ্দেশনা আৰু সমল একত্ৰীকৰণ য'ত মূৰব্বীজনেই সিদ্ধান্ত গ্ৰহণ কৰে আৰু বিদ্যালয়ৰ পৰিচালনাৰ মূল ব্যক্তিৰূপে পৰিচয় দিব পাৰে।

বিদ্যালয়খনৰ শাসন ব্যৱস্থাত আৰু পৰিচালনাত স্পষ্ট নীতি বা নিৰ্দেশনা আছে যদিও পৰিকল্পনা, ৰূপায়ন ব্যৱস্থা, পৰিচালনাৰ সদস্যৰ মাজতে ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ফলাফল সম্পৰ্কে চিন্তা কৰাৰ অৱকাশ নাই। বিদ্যালয়ৰ সম্পদ ৰাজিৰ প্ৰকৃত ব্যৱহাৰ , টকা পইচাৰ হিচাপ, মানৱ সম্পদ বিকাশৰ কথা স্পষ্টভাৱে চৰকাৰী নিৰ্দেশনাত আছে যদিও সভাপতি

বা সম্পাদক সহমতত অৱস্থান নকৰা কাৰণে ভিতৰুৱা স্বৰূপৰ বহিঃপ্ৰকাশ ঘটে। চমুকৈ কলে মুৰব্বীজনৰ নেতৃত্বৰ অভাৱ হৈছে। সেয়েহে বিদ্যালয় প্ৰধানে সবল নেতৃত্ব প্ৰদান কৰিলে শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজ, প্ৰশাসন আৰু বিভাগীয় মূৰব্বীৰ দৃষ্টিত প্ৰশংসা পাবলৈ সক্ষম হ'ব পাৰে।

**লক্ষ্যবোৰ** (Learning objectives)

১. শিক্ষানীতি ২০২০ মতে বিদ্যালয় সুকলমে পৰিচালনাৰ প্ৰশাসন ব্যৱস্থা আৰু পৰিচালনাৰ কৰি নেতৃত্বৰ বিকাশ কৰা ।

২. বিদ্যালয়ত প্ৰশাসন আৰু পৰিচালনাৰ মাজৰ পাৰ্থক্যবোৰ বুজি সূচাৰুৰূপে, বিদ্যালয়খনৰ পৰিকল্পনা, পৰিচালনা আৰু মান উন্নত কৰা।

৩. বিদ্যালয়খনৰ প্ৰশাসন ব্যৱস্থাৰ জৰিয়তে জিলাৰ ভিতৰত শীৰ্ষ স্থানলৈ উন্নীত কৰা।

৪. বিদ্যালয় নেতৃত্বৰ দ্বাৰা অন্য বিদ্যালয় প্ৰধানক নেতৃত্ববোধ জগাই অগ্ৰগতিৰ খোজত আগবাঢ়িবলৈ প্ৰেৰণা দিয়া।

**ব্যৱহৃত মুখ্য শব্দবোৰ** (key words used)

বিদ্যালয়খনৰ প্ৰশাসন, পৰিচালনা শক্তি, নেতৃত্বৰ বিকাশ, নিজে পৰিৱৰ্তন হোৱা দায়িত্ববোধ, স্বচ্ছতা, মালিকীস্বত্ত, বিদ্যালয়গোট পৰিচালনা সমিটি, (SCMC) অংশীদাৰী বিদ্যালয় একত্ৰীকৰণ।

বিদ্যালয় এখনৰ মূৰব্বী বা প্ৰধান শিক্ষকৰ হাততেই শাসনভাৰ থাকে আৰু তেখেতৰ নেতৃত্বত বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ পৰিচালিত হয়। নিয়ন্ত্ৰন কৰা বা নিৰূপন কৰি স্থিৰ সিদ্ধান্ত গ্ৰহণত অগ্ৰণী ভূমিকা লৈ বিদ্যালয়খনক শাসনকাৰ্যৰ নেতৃত্ব শৈক্ষিক প্ৰশাসনিক ব্যৱস্থাটোক টনকিয়াল শক্তিৰে চলাব লাগিব। প্ৰধান শিক্ষকৰ নেতৃত্বত দায়িত্ববোধ, কৌশলগতভাৱে সকলোকে সহায় কৰা, বিদ্যালয়খনৰ সমলবোৰ সকলো শিক্ষকে ব্যৱহাৰ কৰা , শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত উন্নতিত সকলোৰে আশীৰ্বাদ আদায় কৰিব জনা কৌশলগত দিশ, নেতাজনৰ বক্তব্য, ভাব-ভঙ্গী আৰু ব্যৱহাৰ পাতিৰ ওপৰত নিৰ্ভৰশীল।

বিদ্যালয়খনৰ প্ৰধানজনৰ ওপৰতে নৈতিক দায়িত্ব আৰু প্ৰশাসনৰ জৰিয়তে শাসন প্ৰণালী চলি থাকে। বিদ্যালয়খনৰ প্ৰশাসন-ব্যৱস্থাটো বিশেষভাৱে ওচৰৰ আৰু অভিভাৱকসকলৰ দৃষ্টিগোচৰ হয় অৰ্থাৎ বিদ্যালয়ৰ প্ৰতিপালিত ৰূপৰেখা বিদ্যালয়খনৰ প্ৰশাসনৰ প্ৰকৃত অৰ্থ হৈছে কোনো এজনকো ব্যতিব্যস্ত নকৰাকৈ সূচাৰুৰূপে পৰিচালিত কৰা সকলোৱে নীতি নিয়মবোৰ পালন কৰি চলিব যাতে কোনো এজনেও কৰ্ত্তব্যপালনৰ বাবে দোষী সাব্যস্ত হ'ব নালাগে। পৰিকল্পিত পৰিচালনা , দিহা পৰামৰ্শৰ আলোচনা কৰা আৰু সহযোগিতামূলক চিন্তাৰে বিদ্যালয়খনক উন্নত কৰা আদি কাৰ্যবোৰেই প্ৰশাসন ব্যৱস্থাৰ হাথিয়াৰ স্বৰূপ (Tool Kit)। আন কথাত ক'ব পাৰি প্ৰশাসনৰ চমু ব্যৱস্থাৱলীয়েই পৰিচালনা ব্যৱস্থা (management)

নেতৃত্ব গৰাকীৰ কাম সম্পূৰ্ন কৰোৱাৰ বিশেষ কৌশলপূৰ্ণ কিটিপ (trickiest of all) থকাটো অতি আৱশ্যক। বিদ্যালয়ৰ সমালোচনা, ভাল বেয়া, দলত ৰূপ দিয়া, পৰচৰ্চা  কৰা, নিন্দা কৰা ,ইত্যাদিবোৰৰ পৰা আঁতৰি থাকি গঠনমূলক বন্ধু (critical friends) হিচাপে আলোচনা কৰিব লাগে। এই মন্ত্ৰটোৱেই চালিকা শক্তিৰ শলিতা।

সকলোবোৰ বিদ্যালয়ৰ পৰিচালনা সমিতি আছে। কিন্তু সকলোবোৰ প্ৰধান বা মূৰব্বীৰ ক্ষেত্ৰত নেতৃত্ব বহন কৰি সূচাৰুভাৱে পৰিচালনা বা প্ৰশাসন কৰাৰ ক্ষমতা আয়ত্ত নহয়। বিদ্যালয়খনৰ ওচৰৰ বাসিন্দাৰ পৰা নীতি নিয়ম অনুসৰি পৰিচালনা সমিতি গঠন  হয়। বহুক্ষেত্ৰত কমিটিৰ সদস্যবোৰেই প্ৰধানজন পৰিচালনা কৰা, প্ৰশাসন প্ৰক্ৰিয়াত পৰোক্ষভাৱে উজান দিয়া আৰু নীতি নিয়মবোৰ ভংগ কৰি উন্নতিত বাধা অনা কাৰ্য্যও বিদ্যালয়ত দেখা যায়। কেতিয়াবা প্ৰধান শিক্ষকৰ পিছৰ আসনখনৰ পৰা পৰিচালিত প্ৰশাসন অৱস্থাটো চলোৱা দেখা যায়। বিদ্যালয়খনত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকল পৰিচালনা কমিটিৰ সদস্য হয় সেই ক্ষেত্ৰত বিদ্যালয়ৰ শৈক্ষিক উন্নতিত অভিভাৱক জড়িতকৰণ, সহযোগিতামূলক অৱস্থান আদি দিশবোৰ স্পষ্ট ৰূপত প্ৰকাশ পায়।

নতুন শিক্ষা নীতি ২০২০ মূল লক্ষ্য হৈছে বিদ্যালয়খনত থকা বা প্ৰয়োজন হোৱা সমল, সম্পদ ব্যক্তি ভালদৰে কামত লগোৱা আৰু যোগ্যতাৰে বিদ্যালয় বোৰৰ ভিতৰত বিদ্যালয় গোট বা থুপ গঠন কৰি সকলো বিদ্যালয়ত ব্যৱহাৰ কৰা। সৰ্বশিক্ষা মিছনৰ নীতিত প্ৰতিখন

বিদ্যালয়ত নামভৰ্তি কৰক, শিক্ষা গ্ৰহণ কৰক আৰু নিৰ্দিষ্ট পাঠ্যক্ৰম আয়ত্ত কৰি উটিৰ্ন হওক। সমগ্ৰ শিক্ষাৰ ব্যৱস্থাৰ দ্বাৰা এই প্ৰক্ৰিয়াটো অধিক শক্তিশালী আৰু ফলপ্ৰসূৰূপে পৰিচালিত কৰিবলৈ দিয়া হৈছে।

এজনীয়া শিক্ষকৰ প্ৰাথমিক বিদ্যালয়ত ক্ষেত্ৰত পৰিচালনা বা প্ৰশাসন যন্ত্ৰটো নিজেই পৰিচালনা কৰাৰ ওপৰি পাঠদান কাৰ্যসূচী অব্যাহত ৰাখি গুণগত মানেৰে শিক্ষা প্ৰদান কৰাটো কিমান ফলপ্ৰসূ ব্যৱস্থাত চলিছে আপুনি ভাৱক চোন? চহৰীয়া অঞ্চল আৰু পাহাৰীয়া দুৰ্গম অঞ্চল, নগৰীয়া অঞ্চল আৰু ভিতৰুৱা গ্ৰাম্য অঞ্চল, সীমামূৰীয়া অঞ্চল, চাহ বাগিচা আৰু চৰ চাপৰিৰ স্কুল আদি সকলোৰে বাবেই একে শাসন প্ৰণালী,নীতি নিয়ম বা পৰিচালনাৰ ব্যৱস্থাত নেতৃত্বৰ ভূমিকা কোনে ল'ব লাগে ? শিক্ষক কেইজনৰ স্থানীয় ভাষাৰ ক্ষেত্ৰত দখল নাই বা নাজানে, বিদ্যালয়ৰ ভাষা আৰু ঘৰুৱা ভাষা ভিন্ন ধৰণৰ, বিষয় যি শিকাব নিজে নপঢ়া বা নজনা বা আয়ত্ত নকৰা, নাচ, গান, খেলা ধূলাৰ মাধ্যমেৰে শিকা, বিদ্যালয়ৰ সম্পদ, পৰীক্ষাগাৰ,যন্ত্ৰপাতিবোৰ, গ্ৰন্থাগাৰ আদিৰ অভাৱ পূৰণ নকৰাকৈ বিদ্যালয়খন বৰ্তি আছে নহয় নে?

ভৌগোলিক স্থিতিত ভিতৰুৱা বিদ্যালয়খন আপুনি বেয়া দিশটো প্ৰকৃত ভাৱে দেখিব যদিও তাতো পাঠদান হৈছে কেনেদৰে চলিছে ভাৱকচোন? সৰু সৰু অঞ্চলত থকা বিদ্যালয়বোৰে শিক্ষকৰ জৰিয়তে সূচাৰুৰূপে চলিছে, প্ৰত্যাহ্বানৰ মুখামুখি হোৱা প্ৰশাসন আৰু পৰিচালনা ব্যৱস্থাৱলী অন্তৰ্গত, নীতি নিয়মেৰে সূচাৰুৰূপে চলি আছে আপুনি কাম কৰি থকা বিদ্যালয়খনৰ কথা বতৰা বোৰ একে নেকি যত বিদ্যালয়ৰ একত্ৰীকৰণ ব্যৱস্থা সমগ্ৰ শিক্ষাৰ অধিনত কৰিছে যদিও বিদ্যালয়ৰ প্ৰশাসন ব্যৱস্থাৱলীৰ বা পৰিচালনাৰ লগত থকা নীতি নিয়মবোৰ সৰলীকৰণ নকৰিলে কেনে ব্যবস্থাৰ সন্মুখীন হ'বলৈ গৈছে আপুনি ভাবক চোন ?

ছাত্ৰী ছাত্ৰীৰ অভাৱত বা বাসস্থানবোৰৰ পৰা নামভৰ্তিকৰণত সংখ্যাগত হ্ৰাসকৰণ হেতুকে একত্ৰীকৰণৰ মূলমন্ত্ৰ উচ্চাৰণ হৈছে। অন্যান্য চলি থকা বিদ্যালয়বোৰৰ সমস্যাবোৰৰ সমাধান কোনে কৰিব ভাবকচোন আপুনি ?

শিক্ষানীতি ২০২০ মতে তেনেধৰণৰ সমস্যাৱলীৰ পৰা মুক্তি পাবলৈ কিছু চিন্তা-চৰ্চা তলত আলোচনা কৰা হৈছে-

১) যথেষ্ট সংখ্যক পৰামৰ্শদাতা ব্যক্তি / প্ৰশিক্ষণপ্ৰাপ্ত সমাজ সংস্কাৰক আৰু শিক্ষক (ভাগ বতৰা কৰি হলেও) ব্যৱস্থা কৰা। সকলো বিষয়ৰ বাবে-যেনে চিত্ৰাংকন, চিত্ৰকলা, চাৰুকলা, বিজ্ঞান, খেলাধূলা, ভাষা, বৃত্তিমূলক বা বৃত্তিগত শিক্ষা আদিৰ ব্যৱস্থা কৰা।

২) বিদ্যালয়ত সম্পদৰ প্ৰয়োভৰ যেনে-গ্ৰন্থাগাৰ, বিজ্ঞান বিষয়ৰ সজুঁলি, লেৱ, কম্পিউটাৰ লেৱ, দক্ষতা বিকাশ কৌশল, খেলপথাৰ, খেলাধূলাৰ সামগ্ৰী (ভাগ বতৰা কৰি হলেও) বোৰৰ যোগান দিয়ে।

৩) স্থানীয় অঞ্চলৰ শিক্ষা থকা ব্যক্তি, শিক্ষিত ব্যক্তি, বিদ্যালয় বা মহা বিদ্যালয়ৰ শিক্ষা শেষ কৰি থকা ব্যক্তিক ইচ্ছাকৃতভাৱে (Volunteering) বিদ্যালয়ৰ শিক্ষকৰ অভাৱ দূৰ কৰিবলৈ লোৱা বৃত্তিধাৰী ব্যৱস্থা গ্ৰহণ কৰা, লগলাগি বিষয়বস্তু প্ৰস্তুত কৰা, সকলোৱে লগলাগি একেলগে খেলা ধূলা, গান, নৃত্য, তৰ্ক প্ৰতিযোগিতা,বিজ্ঞানৰ প্ৰদৰ্শন মেলা, আদিত ভাগ লোৱা।

৪) বিশেষভাৱে সক্ষম শিশুৰ শিক্ষা যাতে বাদ নপৰে তাৰ ব্যৱস্থা কৰা।

৫) নেতৃত্ববহনকাৰী বিদ্যালয়ৰ মূৰব্বীজনৰ সহযোগত সকলোবোৰ বিদ্যালয়তে এক গোট স্থাপন কৰি শিক্ষকৰ সমস্যা, পাঠদানৰ সমস্যাৱলী, পঠন সামগ্ৰীৰ অভাৱ, বিজ্ঞান সজুঁলিৰ অভাৱ, বিজ্ঞানাগাৰৰ অভাব, খেলাধূলাৰ সামগ্ৰীৰ অভাব, গ্ৰন্থাগাৰৰ অভাব, প্ৰসংগপুথিৰ অভাব, কাৰিকৰী শিক্ষা বা বৃত্তিমূলক শিক্ষাৰ অভাব ইত্যাদিবোৰ শেষ কৰিলেহে বিদ্যালয় প্ৰশাসন ব্যৱস্থাৱলীৰ লগত পৰিচালনা শক্তিৰ পৰিৱৰ্তন প্ৰতি বিদ্যালয় শিক্ষাৰ মান উন্নত কৰি চালিকা শক্তিৰ সৃষ্টি কৰা বা স্থাপন কৰা।

৫-১০ কিমি ব্যাসাৰ্দ্ধৰ ভিতৰত অৱস্থিত বিদ্যালয়বোৰৰ পৰা দক্ষতাপূৰ্ণ এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু নেতৃত্ববহন কৰিব পৰা প্ৰধান শিক্ষকৰ অধ্যক্ষতাত সেই অঞ্চলত থকা সকলোবোৰ বিদ্যালয়ত অংগনবাড়ী কেন্দ্ৰ, প্ৰাক প্ৰাথমিক, প্ৰাথমিক, মধ্য ইংৰাজী বিদ্যালয় বা উচ্চ মাধ্যমিক বিদ্যালয় সমূহকলৈ এক গোট বা বিদ্যালয়ত complex

স্থাপন কৰে। যত বা যেনে ধৰণৰ অঞ্চলত প্ৰযোজ্য হয় তেনে ঠাইত school complex বা গোট স্থাপন কৰিবলৈ শিক্ষা নীতিৰ আধাৰত দিহা পৰামৰ্শ দিছে। এনেধৰণৰ বিদ্যালয়ৰ গোট বা School Complex স্থাপনৰ লক্ষ্যৰে বিদ্যালয়ৰ শিক্ষাদানৰ অভাৱ দূৰ হ'ব, সম্পদৰ প্ৰকৃত ব্যৱহাৰ হ'ব, বিদ্যালয়বোৰৰ কাৰ্যক্ষমতা বৃদ্ধি পাব, সংযোগ বাঢ়িব, বিদ্যালয়বোৰৰ পৰিচালনা আৰু প্ৰশাসন ব্যৱস্থা অধিক শক্তিশালী ৰূপ পাব, নেতৃত্বৰ বিকাশ হ'ব, এটা গোটৰ ভিতৰত বিদ্যালয় গোট পৰিচালনা কমিটি (School complex Management Committee) সৃষ্টি হ'ব। বহু ক্ষেত্ৰত জিলা বা ব্লকৰ শৈক্ষিক ক্ষেত্ৰখনৰ বিকেন্দ্ৰীকৰণ ব্যৱস্থাৰ দ্বাৰা শিক্ষাৰ উত্তৰনৰ বন্তি জ্বলিব। বিদ্যালয় গোট পৰিচালনা কমিটি গঠন কৰি প্ৰশাসন ব্যৱস্থাৰ উন্নতি সাধন, পৰিচালনাৰ সুসৃংখলাবদ্ধতা , শিক্ষাদায়ৰ পৰ্যালোচনা, নিৰীক্ষণ ব্যৱস্থা, উদ্ভাৱনীমূলক ব্যৱস্থা, স্থানীয় ব্যক্তিৰ দ্বাৰা অংশগ্ৰহণ আদিৰে, শিক্ষকৰ অভাৱ দুৰীকৰণ কৰিব পাৰি। এনেধৰণৰ বিকেন্দ্ৰীকৰণ ব্যৱহাৰ বিদ্যালয় গোটৰ অংশীদাৰী লোকৰ সংখ্যা বৃদ্ধি পায়, বিদ্যালয়ৰ নেতৃত্বৰ বিকাশ কৰিবলৈ অগ্ৰণী শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ, সহকাৰী কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি, অভিভাৱক আৰু স্থানীয় লোকৰ দ্বাৰা বিদ্যালয়ৰ ব্যৱস্থাৱলী শক্তিশালী কৰিব পাৰি, সম্পদ আৰু সমলবোৰৰ প্ৰয়োজনীয়তা বুজি প্ৰকৃত ব্যৱহাৰ জানিব পাৰি।

আপোনাৰ অঞ্চলটোৰ ক্ষেত্ৰত বিদ্যালয় গোট পৰিচালনা কমিটি গঠন হৈছে নে? আপুনিও এজন অংশীদাৰ হ'ব পাৰেনে? বৰ্তমান আপোনাৰ বিদ্যালয় পৰিচালনা কমিটি আৰু প্ৰধান শিক্ষকজনৰ নেতৃত্ব বিকাশ কৰিবলৈ আপুনি কি কাৰ্য কৰিব ?

দেখা যায় বিদ্যালয়ৰ প্ৰশাসনীয় দিশ অধিক শক্তিশালী হ'ব যদি বিদ্যালয়ৰ গোট পৰিচালনা কমিটি গঠন কৰা সকলোবোৰ শিক্ষানুষ্ঠানে সক্ৰিয় অংশগ্ৰহণ কৰে। এই ক্ষেত্ৰত প্ৰথমে প্ৰচলিত নীতি নিয়মাৱলী কিছু পৰিমানে সংশোধন কৰিব লাগিব। মাধ্যমিক শিক্ষা সঞ্চালক মহোদয়ৰ পৰা জিলা পৰ্যায়লৈকে বা ব্লকলৈকে প্ৰশাসনৰ লগত জড়িত বিষয়বোৰ সৰলীকৰণ (Simple) কৰি বিকেন্দ্ৰীকৰণৰ দ্বাৰা সক্ৰিয় গোট পৰিচালনা কমিটিৰ সদস্য সচিব (or member secretary, school complex management committee) ক্ষমতাৰ হস্তান্তৰ কৰিব লাগিব, এই ক্ষমতাৰ খেল শৈক্ষিক ক্ষেত্ৰৰ উত্তৰণৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব। কেন্দ্ৰীয় পৰ্যায়ত

প্ৰস্তুত কৰা পাঠ্যক্ৰম বা ৰাজ্যিক পৰ্যায়ত প্ৰস্তুত কৰা পাঠ্যক্ৰম হওক, শিক্ষকসকলে স্বতন্ত্ৰভাৱে স্বাধীনভাৱে পাঠদান কাৰ্যত ব্যস্ত থাকিব। এই ব্যৱস্থাৱলী বিদ্যালয়খনে শক্তিশালী ৰূপ ধাৰণ কৰিব। পৰ্যায়ক্ৰমে সঞ্চালকালয়ৰ পৰা নিয়মিত পৰিদৰ্শন, পৰ্যৱেশণ, বিদ্যালয়ৰ প্ৰধানসকলৰ নেতৃত্বৰ বিকাশ ঘটাবলৈ প্ৰশিক্ষণ, আলোচনা আদিৰ ব্যৱস্থা সঘনাই চলি থাকিব। নেতৃত্ব বহন কৰি প্ৰধানৰ লগত জিলা, ব্লক বা বিদ্যালয়ৰ মূৰব্বীসকলৰ আলোচনা, মিটিং পৰ্য্যলোচনাত বহিব, অভাৱ অভিযোগবোৰ নিষ্পত্তি কৰিব, শিক্ষকৰ প্ৰয়োজনীয় সামগ্ৰীবোৰৰ ব্যৱস্থা, খেলা ধূলা, প্ৰতিযোগিতা আদি অঞ্চলভিত্তিক চলি থাকিব।

বিদ্যালয়ৰ প্ৰশাসন ব্যৱস্থা আৰু পৰিচালনা দুয়োটাই সক্ৰিয়ভাৱে পাঠদানত ব্যাঘাত নোহোৱাকৈ সুচাৰুৰূপে চলাবলৈ নেতৃত্ববহনকাৰীজনৰ এটা পৰিকল্পনাৰ প্ৰয়োজন। এই পৰিকল্পনা প্ৰায় এক সপ্তাহ বা ১৫ দিনৰ বাবেহে প্ৰযোজ্য। প্ৰস্তুতকাৰীজন বিদ্যালয় গোটৰ প্ৰধান শিক্ষক, সকলো বিদ্যালয়ৰ প্ৰধান বা মূৰব্বীৰ সহযোগত পৰিকল্পনা প্ৰস্তুত হ'ব আৰু ৰূপায়ন ব্যৱস্থাৱলীৰ পৰিকল্পনা মতেই নিজ নিজ বিদ্যালয়ৰ চলি থাকিব। কেইবাখনো বিদ্যালয়ৰ এটা গোটকে এখন বিদ্যালয় হিচাপে বিবেচনা কৰিব লাগিব। মূৰব্বী শিক্ষক বা নেতৃত্ব বহনকাৰী প্ৰধানৰ ভূমিকা গুৰুত্বপূৰ্ণ।

বিদ্যালয় গোটৰ পৰিকল্পনা হস্ৰকালীন বা দীৰ্ঘকালীন হ'ব পাৰে।পৰিচালনাৰ পদ্ধতিগত দিশটোৰ বাবে School Complex আৰু School Mappingৰ সহায়ক হোৱাকৈ NIEPA মডিয়ুল ব্যৱহাৰ কৰিব পাৰে। প্ৰতিখন বিদ্যালয়ৰ বাবে বিদ্যালয় উন্নয়ন পৰিকল্পনা (School Development Plan, SDP) প্ৰস্তুত কৰিব যত প্ৰতিখনৰ বাবে পৰিচালনা কমিতিৰ সদস্যসকলৰ অংশগ্ৰহণ নিশ্চিত কৰিব। এনেদৰে সকলো বিদ্যালয়ৰ পৰিকল্পনা সংযোজন কৰিলেহে আপুনি বিদ্যালয় গোতৰ পৰিচালনা পৰিকল্পনা লাভ কৰিব।

কোনখন বিদ্যালয়ৰ বাবে কাৰিকৰী শিক্ষা, বৃত্তিগত শিক্ষাৰ প্ৰয়োজন বা ব্যৱহাৰৰ বাবে ওচৰত প্ৰশিক্ষণ দিব পৰা বা হাতে কামে কৰিব পৰা সুবিধা আছে নিৰ্ধাৰণ কৰি আগবাঢ়ক। এনে পৰিকল্পনাত শিক্ষকৰ পাঠদান কাৰ্য বিদ্যালয়ৰ প্ৰয়োজনমতে শিকনৰ সামগ্ৰীবোৰ শিক্ষকৰ শ্ৰেণীৰ প্ৰয়োজন মতে, বিষয় বস্তুৰ মতে, বিদ্যালয়ৰ

আন্তঃগাঁথনি, লেব, ICT, উন্নয়নৰ খতিয়ান, টকা পইচাৰ ব্যৱহাৰ অনুদানমতে বিদ্যালয়বোৰৰ সংস্কৃতি বৃদ্ধি, শিক্ষকৰ বৃত্তিগত উন্নতি বা পেছাদাৰীৰ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ। এনেবোৰ উপাদানৰ শেষত বিদ্যালয়ৰ মূল্যাংকণ ব্যৱস্থাৰ উন্নীতকৰণ বা মান নিৰ্ধাৰণ কৰিব পাৰি। শ্ৰেণীকোঠাত কাৰ্যবোৰ/ প্ৰক্ৰিয়াবোৰৰ বৰ্ধন, প্ৰশিক্ষণ আৰু পৰামৰ্শ প্ৰদান নেতৃত্ববহনকাৰী প্ৰধান শিক্ষকৰ দায়িত্ব। শিক্ষকৰ প্ৰশিক্ষণ আৰু পৰামৰ্শ দান কাৰ্যসূচী এৰাব নোৱাৰা বিষয়। প্ৰশিক্ষণ আৰু পৰামৰ্শদানৰ বাবে বৈদ্যুতিন উপস্থাপন ব্যৱহাৰ কৰিব। নেতৃত্বশীল ব্যক্তি গৰাকীয়ে সহ প্ৰধান শিক্ষকৰ লগত সদায় নিৰীক্ষণ আৰু প্ৰতিপুষ্টি (observation and feedback)লৈ থাকিব। দলীয় শিক্ষা, দল গঠনৰ প্ৰক্ৰিয়া, দল গঠনৰ পৰ্যায়ক্ৰমে দলৰ নেতৃত্ব প্ৰদানকাৰীজনৰ কৰ্ত্তব্য। নেতৃত্ব লৈ থাকোঁতে আপুনি সদায় সহকৰ্মীসকলৰ বিকাশজনিত কৰ্মচাৰীৰ বৈঠকত অংশ গ্ৰহণ কৰিব। কৰ্মচাৰীৰ বৈঠক, প্ৰদৰ্শনৰ টোকা বহী, বৈঠকৰ কাৰ্যসূচী বিৱৰণী, কাৰ্যসূচী খন আপুনি লক্ষ্য কৰা আৰু কৰ্মচাৰীৰ সভাসমূহ পুনৰীক্ষণ কৰা আদি বিষয়বোৰ নেতৃত্ব প্ৰদান কৰাটো দলীয় কাৰ্য্যসূচীৰ ভিতৰুৱা অংশ। এনে ক্ষেত্ৰত বিদ্যালয়ৰ মূৰব্বীজনে দলৰ গঠন আৰু নেতৃত্বদান কামত জড়িতহৈ ছাত্ৰ-ছাত্ৰীবোৰৰ শিকনৰ ফলাফল বৃদ্ধি পাব, গোটৰ দলবোৰক বুজিব পাৰে, তেতিয়াহে দলৰ তাৎপৰ্য অনুধাৱন কৰিব পাৰে।

আপুনি কাম কৰি থকা বিদ্যালয়খনৰ বৰ্তমান স্থিতি কেনেধৰণৰ, শিক্ষকৰ সহযোগিতাত বিদ্যালয়খনৰ উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰোঁতে সকলো শিক্ষকৰ দিহা পৰামৰ্শ গ্ৰহণ কৰেনে?

বিদ্যালয়ৰ উন্নয়ন পৰিকল্পনা আৰু বিদ্যালয়সমূহৰ গোট পৰিকল্পনা এই দুয়োটা পৰিকল্পনাই বিদ্যালয়ৰ মূৰব্বীৰ পৰা ক্ৰমান্বয়ে ব্লক, জিলাৰ জৰিয়তে সঞ্চালক মহোদয়ে পৰিকল্পনা মতে প্ৰয়োজনীয় শিক্ষক আৰু অন্যান্য সামগ্ৰীবোৰৰ যোগান দিব।এবছৰৰ ভিতৰত যোগান (short term) আৰু দীৰ্ঘকালিন (long term) জৰিয়তে ঘৰ-দুৱাৰ , অদিৰ ব্যৱস্থা কৰক। এই ক্ষেত্ৰত মাধ্যমিক সঞ্চালক (মাধ্যমিক পৰ্যায়ৰ আৰু ৰাজ্যিক শিক্ষা গৱেশণা আৰু প্ৰশিক্ষণ পৰিষদৰ (DSE & SCERT) যৌথভাৱে কৰ্ম নিৰ্ধাৰন কৰি অনুমোদন আগবঢ়াব।

শিক্ষানীতি ২০২০ৰ অন্য এটা মনকৰিবলগীয়া দিশ হৈছে ব্যক্তিগত আৰু চৰকাৰী বিদ্যালয়ৰ মাজত সংযোগ স্থাপন কৰা। এই ক্ষেত্ৰত আপুনি শিক্ষকতা বৃত্তিটোৰ লগত পেছাধাৰী ব্যক্তি হিচাপে বেচৰকাৰী আৰু ব্যক্তিগত বিদ্যালয়ৰ পৰা কি শিকিব আৰু কি দিব?

সহযোগিতামূলক আৰু ইতিবাচক চিন্তাৰে বিদ্যালয়খনৰ উন্নতিৰ বাবে চৰকাৰী বিদ্যালয়কনে বেচৰকাৰী বা ব্যক্তিগত বিদ্যালয়খনলৈ গৈ শিক্ষা ব্যৱস্থা, পাঠদান শৈলী, শিক্ষণ-শিকন সামগ্ৰীৰ ব্যৱহাৰ, শিক্ষাদানৰ সমলবোৰ, শিক্ষাদনৰ বাধাবোৰ কেনেকৈ সমলপুষ্ট কৰি প্ৰধানৰ দ্বাৰা নিৰাময় কৰি আগবাঢ়িছে, বৃত্তিগত দক্ষতা বৃদ্ধিত অৰ্হতা, মডেল প্ৰদৰ্শন, ইত্যাদি দিশ ভাল লগা আৰু আপোনাৰ প্ৰয়োজনীয়তা ক্ষেত্ৰকনত শক্তিশালী ৰূপ দিবলৈ অহা যোৱা কৰক, আলোচনাত বহক, বিনিময় কৰক, পথ নিৰ্মান কৰক আদান প্ৰদানৰ জৰিয়তে কৰ্মসংস্কৃতি বৃদ্ধি কৰক।

পাৰদৰ্শী শিক্ষক হিচাপে বৃত্তিগত দক্ষতা বঢ়াবলৈ আপোনাক ব্যক্তিগত লাগতীয়াল আৰু পেছাধাৰী শিক্ষকক সৰলীকৰণত প্ৰয়োজন হোৱাত কি কি সম্পদৰ প্ৰয়োজন হ'ব পাৰে তাৰে এখন তালিকা প্ৰস্তুত কৰক। অৰ্থাৎ আপোনাৰ কৰ্ম ক্ষেত্ৰকনৰ অভাৱ আপুনি পূৰণ কৰাৰ আঁচনিখন প্ৰস্তুত কৰক। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ভাল দিশবোৰ, ব্যৱহাৰৰ উপযোগী ক্ষেত্ৰবোৰ, আপোনাৰ বিদ্যালয়খনৰ কি কি দিশ আপুনি তথ্য সহকাৰে দেখুৱাম বুলি ভাবিছে, অনুষ্ঠানৰ মান মৰ্যাদা ৰক্ষা কৰিবলৈ শিক্ষক হিচাপে কি কৰিব, আপোনাৰ পাঠদান কাৰ্যৰ অন্য শিক্ষকক কি শিকাব, আপোনাৰ কামৰ দ্বাৰা কেনেকৈ অন্য এজনক অনুপ্ৰাণিত কৰিব, আপুনি কেতিয়াবা ভাবিছেনে বাৰু?

প্ৰতিখন বিদ্যালয়ত প্ৰয়োজন মতে দৰকাৰ হলে বালভৱনৰ ধাৰণা প্ৰতিস্থিত কৰক। দিনটো বিদ্যালয়খনত থাকিব পৰাকৈ বা সপ্তাহত এবাৰকৈ লৰা-ছোৱালীক থকাৰ ব্যৱস্থা কৰক। ৰাতিপুৱাৰ পৰা গধূলিলৈ খেলা ধূলাৰ ব্যৱস্থা, নাচ গানৰ লগতে পঢ়া শুনা, তৰ্ক প্ৰতিযোগিতা, বিজ্ঞান প্ৰদৰ্শনীৰে, কলা কৌশলৰ প্ৰদৰ্শন, নিজৰ বৃত্তিত উন্নতিপথ/ক্ৰমোন্নতিৰ বাট ইত্যাদি প্ৰয়োজনমতে বিদ্যালয়ৰ গোটৰ লগত স্থাপন কৰক।

আমাৰ পঢ়াশালী বা বিদ্যালয়খন আমাৰ চাৰিওফালে থকা ব্যক্তিসকলৰ কোনো আনন্দৰ কথা উপলক্ষে উৎসৱ পালন কৰাত, প্ৰশংসা কৰা, ৰাজহুৱা সম্বৰ্ধনা জনোৱাত আদি কাৰ্যত ব্যৱহাৰ কৰিব পাৰি নেকি? স্কুল স্থাপনৰ দিনটো পালন কৰা। বিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ব্যক্তিৰ উৎযাপনলৈ, বিদ্যালয়খনৰ অব্যৱহৃত অংশত বিদ্যালয়ৰ সমুদায় (school community)ৰ জৰিয়তে সামাজিক, বৌদ্ধিক আৰু সমুদায়ৰ বাবে স্বতঃস্ফূটভাৱে কাম কৰি নিজৰ বুলি ভাবিবলৈ **"সামাজিক চেতনা কেন্দ্ৰ"** গঢ়ি তুলিব পাৰিণে?

অংশীদাৰিত্বৰ নেতৃত্বদান কৰিবলৈ যাঁওতে মনত ৰাখিব-শিক্ষাৰ নীতি নিৰ্ধাৰক, শিক্ষাবিদ আৰু শিক্ষাৰ লগত জড়িত ব্যক্তি, বিভিন্ন স্তৰৰ অভিভাৱকৰ লগত বিদ্যালয়ৰ অংশীদাৰিত্ব গঢ়ি তোলাৰ প্ৰয়োজন। শিক্ষাৰ প্ৰসংগ নিৰ্দিষ্ট কৰিবলৈ আৰু উপলব্ধি, অংশগ্ৰহণ, ধাৰণ আৰু মান উন্নত কৰাৰ কৌশল বিকাশ কৰিবলৈ। বিদ্যালয়ত সমুদায়ৰ অংশগ্ৰহণ নিশ্চিত কৰাব লাগে।

বিদ্যালয়ৰ প্ৰশাসন নীতি আৰু পৰিচালনাৰ পাৰ্থক্য বুজিবলৈ তলৰ দিশ কেইটা মনত ৰাখিব-

| প্ৰশাসন ব্যৱস্থাৱলী | পৰিচালনাৱলী |
|---|---|
| নীতি নিৰ্দেশনাৰ প্ৰচলিত, কৌশলগতদৃষ্টিভংগী, আৰু উচ্চ খাপৰ লক্ষ্যত উপনীত হ'বলৈ পালন কৰা নিৰ্দেশাৱলী | সংস্থা চলাবলৈ গ্ৰহণ কৰা ব্যৱস্থাৱলী আৰু লক্ষ্যত উপনীত হ'বলৈ গ্ৰহণ কৰা বা পৰিচালনা কমিটিৰ সদস্যৰ নিৰ্দেশ। |
| জনসাধাৰণৰ কুশলৰ বাবে আৰু সমুদায়ৰ মঙ্গলৰ কাৰণে অনুষ্ঠান-প্ৰতিষ্ঠানে নিজৰ কাৰ্যদক্ষতা প্ৰকাশ কৰিবলৈ লোৱা এক ব্যৱস্থাৱলী | লক্ষ্যত উপনীত হ'বলৈ কমিটিৰ সদস্যবোৰে গ্ৰহণ কৰা নীতি পালন কৰা আৰু তাৰ স্থিতি বাহাল ৰখা |
| নীতি নিয়মৰ মাজেৰে কৰা শাসন ব্যৱস্থা যত লক্ষ্যত স্থিৰ কৰা পৰ্যায়পাব লাগিব, গঠন হ'ব লাগিব, নীতি বহিভূত কাৰ্য কৰিব নোৱাৰিব। | কাৰ্যকৰণত সিদ্ধান্ত লব পৰাকৈ নীতি গ্ৰহণ কৰা, পৰিচালনা কমিটিক জ্ঞাত কৰা, কমিটিৰ সদস্যৰ ওচৰত জবাব দিহি হ'ব |

| | |
|---|---|
| | লাগে।<br>অতিৰিক্ত উত্তৰ বা তথ্যপাতি দিবলৈ প্ৰস্তুত থাকিব লাগিব। |

-প্ৰশাসন ব্যৱস্থাৱলী ভাল বুলি কলে সাধাৰণতে জনসাধাৰণৰ মঙ্গলৰ বাবে আৰু হিতাধিকাৰী কুশলৰ বা সমুদায়ৰ কাৰণে চলোৱা এক ব্যৱস্থাতন্ত্ৰ। দৰিদ্ৰ নিৰাময়কৰণ বা মানৱ সম্পদৰ বিকাশ ঘটাবলৈকো প্ৰশাসন ব্যৱস্থাৱলীত স্বচ্ছতা থকা প্ৰয়োজন। Millennium Development Goals প্ৰধান লক্ষ্য হৈছে কাৰ্যক্ষম প্ৰশাসন ব্যৱস্থাৱলী। মুখ্য পৃষ্ঠপোষকৰ পৰা সাধাৰণ কৰ্মচাৰী জনলৈকে উন্নতি বা ভাল কৰাৰ লক্ষ্য ভাল প্ৰশাসন ব্যৱস্থাত দেখা যায়। এনো প্ৰশাসনত অংশীদাৰিত্ব দুয়োপক্ষৰ, স্বচ্ছতা, কৰ্মৰ জবাবদিহি ফলপ্ৰসূ, সহযোগিতা আৰু নীতি নিয়মেৰে অন্তৰ্ভুক্ত কৰা ব্যৱস্থাৱলী।

-পৰিচালনাৱলীত কেৱল পৰিচালনা কমিটিৰ সংবিধান, নিজৰ সিদ্ধান্ত কাৰ্যকৰণ, লক্ষ্যত উপনীত হ'বলৈ লোৱা ব্যৱস্থা, সদস্যৰ ওচৰত উত্তৰ দিবলৈ বাধ্যবাধকতা। মূলত প্ৰশাসন আৰু পৰিচালনাৰ উদ্দেশ্য হৈছে সংগীন অনুষ্ঠান, প্ৰতিষ্ঠানবোৰ নিয়াৰীকৈ চলাই নিয়াৰ নিৰ্দেশাৱলী।

ছাত্ৰ ছাত্ৰীৰ শিকনৰ অগ্ৰগতি বা বৃদ্ধিৰ কাৰণে মূলতঃ আমাৰ বিদ্যালয় প্ৰশাসন ব্যৱস্থাৱলীৰ লগত শিক্ষক শিক্ষয়িত্ৰী, ছাত্ৰ ছাত্ৰী, জনসাধাৰণ সমুদায় সদায় জড়িত হৈ থাকে। প্ৰশাসন ব্যৱস্থা কেৱল নীতি নিৰ্দেশনাই নহয়।শিক্ষানীতি ২০২০ত এক প্ৰকাৰৰ নতুন সংশোধিত ৰূপত বিদ্যালয়ৰ পৰিচালনাৰ বাবে সংশোধন ধাৰাত নতুনত্ব প্ৰদান কৰিছে। সকলোধৰণৰ সমস্যাৰ পৰা পৰিত্ৰাণ বিচাৰি বিদ্যালয়ৰ গোট পৰিচালনা কমিটিৰ প্ৰস্তাৱ সকলোৱে গ্ৰহণ কৰিব লাগে। শিক্ষানীতিত স্পষ্টভাৱে দেখা যায় ন্যূনতম পৰিচালনা কৰি অধিকতম প্ৰশাসনৰ জৰিয়তে উন্নতি কৰা দিশ প্ৰকাশ হৈছে।

অহা দুটা দশকলৈকে সকলোবোৰ ছাত্ৰ-ছাত্ৰী ফলপ্ৰসূ শিক্ষা লাভ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। বিদ্যালয়বোৰত থকা সম্পদবোৰৰ প্ৰকৃত অৰ্থত ব্যৱহাৰ কৰা, কাৰ্য্যদক্ষতা বৃদ্ধি কৰা, কামৰ

বাবে কৰ্তৃপক্ষৰ ওচৰত জবাবদিহি হোৱা, অংশীদাৰিত্ব লোৱা আৰু কৰ্তৃপক্ষই মাজে সময়ে আলোচনা বিলোচনা কৰি ফলপ্ৰসূ সিদ্ধান্ত গ্ৰহণ কৰা। বিদ্যালয়ৰ গোট পৰিচালনা সমিটিখনে প্ৰস্তুত কৰা পৰিকল্পনাটোত মানৱীয় দিশৰ বিকাশ কৰা, শিকনৰ মান উন্নত কৰা, ইত্যাদিবোৰ অন্তৰ্ভূক্ত হ'ব। বিদ্যালয়খন শৈক্ষিক স্বাধীনতা প্ৰদান কৰি গৈছে যে ঐক্যবদ্ধ কৰি শিক্ষকে পাঠদান কৰিব আৰু সকলোধৰণৰ শিকাৰুয়ে বিদ্যালয়ত শিকিব। যদি বিদ্যালৰ পাঠদানত বাধা আহে বা শিক্ষকৰ পঢ়োৱাৰ পাছত শিকনৰ অগ্ৰগতি নহৈ বিদ্যালয় ত্যাগ বা ড্ৰপ হৈ থাকি যায়, প্ৰশাসনীয় বা পৰিচালনাৰ ক্ষেত্ৰত প্ৰধান বা সহশিক্ষকৰ অনীহা, অমনযোগিতা বৃদ্ধি পায় তেন্তে কাৰ্যকৰণত লিপ্ত সকলোৱে জবাবদিহি (Accountable) হ'ব লাগিব।

## প্ৰতিফলিত প্ৰশ্নসমূহ (Reflective Questions)

১. বৰ্তমান প্ৰচলিত ব্যৱস্থাত বিদ্যালৰ প্ৰশাসন আৰু পৰিচালনাত কি কি সমস্যাৰ সন্মুখীন হৈছে?

২. আপোনাৰ দৃষ্টিত সমস্যাৱলীৰ সমাধানৰ উপায় কি কি ?

৩. বিদ্যালয়ৰ গোট গঠন কৰোঁতে কি কি দিশত সাৱধানতা লোৱা উচিত ? কি নীতি গ্ৰহণ কৰিব ? সকলোধৰনৰ ছাত্ৰ-ছাত্ৰীয়ে কেনেকৈ বিদ্যালয়ত পঢ়িব ?

৪. কেনেধৰনৰ ঘৰদুৱাৰ বা শিকনসামগ্ৰীৰ প্ৰয়োজন যিবোৰ বিদ্যালয় গোটৰ বিদ্যালয়ৰ শিক্ষকে ব্যৱহাৰৰ বাবে শিকাব ? শিকন সামগ্ৰীবোৰ বিদ্যালয় গোটৰ মাজত কোনে বিতৰণ কৰিব ? কোনে শিকাব ? বিদ্যালয় গোটৰ বিদ্যালয় বোৰলৈ শিকন সঁজুলিবোৰ কোনে নিব বা যোগান ধৰিব ?

৫. বিদ্যালয় এখন ভাল ধৰনে প্ৰশাসন আৰু পৰিচালনা কৰিবলৈ কেনেধৰনৰ নেতৃত্বৰ প্ৰয়োজন ? বিদ্যালয়ৰ গোটৰ প্ৰধান নেতৃত্ব দিয়া গৰাকী কি কি গুণৰ অধিকাৰী হ'ব লাগিব ? দলভাৱে কাম কৰিবলৈ শিক্ষক আৰু কৰ্মচাৰীৰ কৰ্মৰ নিৰ্দেশনাত প্ৰধান নেতৃত্ব দিয়া জনে কি ভূমিকা গ্ৰহণ কৰিব ?

৬. বিদ্যালয়ৰ গোটৰ শিক্ষকসকলক কেনেকৈ দৈনিক কৰ্মমুখী কৰি তুলিব ? সকলো শিক্ষকে কেনেদৰে একে উদ্দেশ্য লৈ বিদ্যালয় গোটৰ বিদ্যালয়ত শিক্ষাদান কৰিব ?

৭. বিদ্যালয় গোট পৰিচালনা কমিতিৰ সদস্যবোৰ কোন? তেখেতসকলে কেনেধৰনৰ প্ৰশিক্ষণ দিব ? সদস্যসকল আৰু শিক্ষকৰ সম্পৰ্ক কেনেধৰনে নিৰ্ধাৰণ কৰিব ? বিদ্যালয়ত আৰু শিকন কাৰ্যত সদস্যসকলৰ দায়িত্ব কি হ'ব?

৮. বিদ্যালয়ত কেনে ধৰনৰ পৰিস্থিতি হ'ব লাগিব য'ত – সংস্কৃতি, খেলাধূলা, সা-সৰঞ্জাম, শিকন সামগ্ৰীৰ ব্যৱহাৰ, গ্ৰন্থাগাৰৰ ব্যৱহাৰ অন্য বিদ্যালয় ছাত্ৰ-ছাত্ৰী আহিব, শিকিব, ব্যৱহাৰ কৰিব ?

**সামৰণি (Conclusion)** – নতুন শিক্ষা নীতি ২০২০ আধাৰত বিদ্যালয়ত পৰিৱৰ্তন অনা কাৰ্যসূচীত কাৰ্যকৰী বিদ্যালয় নেতৃত্বৰ লক্ষ্য উপনীত হলে আপুনিও এগৰাকী ৰূপান্তৰ কৰণ নেতা হ'ব লাগিব। ৰূপান্তৰকাৰী নেতাসকলে সহজে গঠন আৰু কাৰ্যসমূহ প্ৰশাসন নকৰে, কিন্তু ব্যক্তিক উন্নত কৰাত গুৰুত্ব প্ৰদান কৰে। তেওঁলোকৰ সহযোগিতা আৰু প্ৰতিশ্ৰুতিবোৰ পালন কৰিবলৈ প্ৰচেষ্ঠা হাতত লয়, সক্ৰিয়ভাৱে বিদ্যালয়ৰ সংস্কৃতিত প্ৰভাৱ যোগায়। বিদ্যালয়ৰ নেতৃত্বই বিদ্যালয় বিকাশৰ প্ৰক্ৰিয়াত সাফল্য অনাৰ দিশত বিশেষভাৱে সহায় কৰে। শিকনৰ দ্বাৰা বিদ্যালয়ৰ ফলাফলৰ আধাৰ , শিকন শিক্ষণ কাৰ্যত কৃতকাৰ্যতা , ফলাফলসমূহৰ মাজত থকা সম্পৰ্কৰ ক্ষেত্ৰত কিছুমান বিশেষ প্ৰক্ৰিয়াই কাম কৰে যিয়ে তাৰ দিশত পৰিচালনা কৰিছে। বিদ্যালয়খনৰ নেতৃত্ব হৈছে পাৰস্পৰিক বিনিময় যিয়ে প্ৰভাৱ বিস্তাৰ আৰু পৰিৱৰ্তন অনাত সহায় কৰে।

আপোনাৰ ক্ষেত্ৰত নিজকে ৰূপান্তৰকাৰী নেতালৈ ৰূপান্তৰ কৰাৰ ৰণনীতি কি হোৱা উচিত বুলি বিবেচনা কৰিব ? আপোনাৰ বিদ্যালয়ৰ প্ৰধান নেতাৰূপে কৰিব লগা কামবোৰ হ'ল –

১) সমকক্ষ দলৰ শিকনত পৰীক্ষামূলকভাৱে উৎসাহিত কৰা।

২) কৰ্মচাৰীৰ কাৰ্যক্ষমতা আৰু বিদ্যালয়ৰ উন্নয়ন ভাবিবলৈ সহায় কৰক।

৩) বিকল্প দৃষ্টভংগীৰে প্ৰত্যাহ্বান প্ৰদান কৰা, কথোপকথন প্ৰচাৰ কৰা।

৪) কৰ্মচাৰীৰ সপোন, মূল্য বোধ আৰু লক্ষ্যবোৰৰ লগত বিদ্যালয়খন গঢ়ক।

৫) বৃত্তিমূখী শিকনৰ সম্প্ৰদায় সৃষ্টি কৰক।

৬) বিদ্যালয়ৰ প্ৰতিফলনবোৰ সংলাপ আৰু আলোচনাত বহক।

৭) শিক্ষকৰ বৃত্তিগত প্ৰয়োজনবোৰ পূৰ কৰক।

৮) সৰু সৰু শ্ৰেণী গৱেষণা আৰু কাৰ্যভিত্তিক গৱেষণাক উৎসাহিত কৰক, বিদ্যালয়খনক বুজি পাওক

৯) সমভাগী দৃষ্টিভংগীৰ প্ৰস্তুত কৰক, গতিশীলতা বৃদ্ধি কৰক।

১০) শিকন সংস্থা হিচাপে বিদ্যালয়খন প্ৰতিষ্ঠা কৰক।

## সম্বন্ধীয় পাঠ্যপুথি/লিংক (Reference)


1) National Education Policy 2020, MHRD, GOI
2) Online Modules on School Leadership & Development
3) Improving School Governance - Meeta Sengupta
4) Guidelines for ...... for the Development of NCF on Nep 2020
5) Introduction to Educational Leadership 1975, H.W Broles & James http://youtube/d2g8cbOXRSU
6) Sang.P.(1990) the fifth Dicsiplines, the AAE practice of Learning Organization, New York
7) Teacher observing Teachers – A professional Development tool for every school
8) The wisdom of teams: Creating the High performance organization, Boston:Havards Business School
9) Team work survey, retrieved from http:www.nwlink.com/-donclark/leader/teamvv.html